**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 18-09-2026
**Time :** 0705 AM

ASSAMESE MORNING NSD BULLETIN
**HEADLINES**
**::::::::::::::::::**

১। যোগান শৃখলাক অস্ত্ৰ হিচাপে ব্যৱহাৰৰ ক্ৰমবৰ্ধমান মানসিকতাৰ মাজত বিশ্বৰ বাবে ছেমি কণ্ডাক্টৰ নিৰ্মাণৰ নিৰ্ভৰযোগ্য কেন্দ্ৰ হিচাপে ভাৰতে নিজকে প্ৰস্তুত কৰি তুলিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

২। বিত্ত মন্ত্ৰালয়ে আজিৰে পৰা নতুন দিল্লীত বিকশিত ভাৰতৰ দিশে দেশৰ যাত্ৰাৰ বাবে বিত্ত যোগান বিষয়ক দুদিনীয়া সন্মিলনৰ আয়োজন কৰিছে।

৩। হিন্দুস্তান এৰ'নেটিক্স লিমিটেডে আজি বায়ুসেনাক তেজছৰ দুখন আসনবিশিষ্ট প্ৰশিক্ষণ আৰু এইছ টি টি-৪০ বুনিয়াদী প্ৰশিক্ষণ বিমান অৰ্পণ কৰিব।

৪। নেপালৰ বিধবংসী বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা এহেজাৰ ৪১০লৈ বৃদ্ধি পাইছে।

*আৰু*

৫। ভাৰতে যোৱা নিশা তিনিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত আফগানিস্তানক ১২৭ ৰাণত পৰাস্ত কৰে।

০০০০০

যোগান শৃখলাক অস্ত্ৰ হিচাপে ব্যৱহাৰৰ ক্ৰমবৰ্ধমান মানসিকতাৰ মাজত বিশ্বৰ বাবে ছেমি কণ্ডাক্টৰ নিৰ্মাণৰ নিৰ্ভৰযোগ্য কেন্দ্ৰ হিচাপে ভাৰতে নিজকে প্ৰস্তুত কৰি তুলিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। নতুন দিল্লীৰ যশোভূমিত কালি ছেমিকন ইণ্ডিয়া সন্মিলন আৰু প্ৰদৰ্শনীৰ পঞ্চম সংস্কৰণ মুকলি কৰি শ্ৰীমোদীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয় যে গুৰুত্বপূৰ্ণ উদ্যোগৰ ক্ষেত্ৰত ভাৰতৰ উত্থানে গোলকীয় যোগান শৃংখলা সুদৃঢ় কৰিব আৰু বিশ্বৰ বিভিন্ন প্ৰান্তত দেখা দিয়া যোগান শৃংখলাৰ প্ৰত্যাহ্বান মাজত নতুন সুযোগৰ সৃষ্টি কৰিব।

বাইট (পি এম)

সন্মিলনত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় ইলেক্ট্ৰনিক্‌ছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে ভাৰতে বিগত কেইবা দশক ধৰি অৰ্ধ পৰিবাহী উদ্যোগ স্থাপনৰ বাবে আগ্ৰহ প্ৰকাশ কৰি আহিছিল যদিও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বতহে এয়া সম্ভৱ হ'ল। তেওঁ কয়, যে ইতিমধ্যে এই উদ্যোগৰ বুনিয়াদ স্থাপন কৰা হৈছে আৰু ইয়াৰ দ্বিতীয় পৰ্যায়ত ছেমিকনৰ জৰিয়তে উদ্যোগ নিৰ্মাণ কৰা হ'ব আৰু ই ছটা মুখ্য স্তম্ভত আলোকপাত কৰিব। এই পৰ্যায়ত অৰ্ধ পৰিবাহীৰ আৰ্হি যন্ত্ৰ তথা সামগ্ৰী, ছিলিকন আদিকে ধৰি গৱেষণা আৰু উন্নয়ন কোযো থাকিব। তেওঁ লগতে কয়, যে ছেমি কণ্ডাক্টৰৰ জৰিয়তে চৰকাৰে কমেও ২০০ ষ্টাৰ্টআপ আৰু কম্পেনিক সহায় কৰাৰ লক্ষ্য গ্ৰহণ কৰিছে। ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি ৰাজ্য মন্ত্ৰী জিতিন প্ৰাসাদ, সচিব এছ কৃষ্ণণৰ লগতে বহু জ্যেষ্ঠ বিষয়া আৰু প্ৰতিনিধি এই অনুষ্ঠানত উপস্থিত থাকে।

০০০০০

বিত্ত মন্ত্ৰালয়ে আজিৰে পৰা নতুন দিল্লীত বিকশিত ভাৰতৰ দিশে দেশৰ যাত্ৰাৰ বাবে বিত্ত যোগান বিষয়ক দুদিনীয়া সন্মিলনৰ আয়োজন কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে দেশৰ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিত্ত মন্ত্ৰী আৰু বিত্ত সচিবসকলে এই সন্মিলনত ভাগ ল'ব। সন্মিলনত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমন আৰু কেইবাখনো ৰাজ্যৰ মুখ্যমন্ত্ৰী উপস্থিত থাকিব। পৰিসংখ্যা কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰালয়ৰ সচিব ড০ সৌৰভ গাৰ্গে সন্মিলনত বিকশিত ভাৰতৰ দিশে দেশৰ যাত্ৰা ফলাফলৰ মূল্যায়নৰ বিষয়ে আলোকপাত কৰিব। একেদৰে ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ৰ সচিব এছ কৃষ্ণণে সুশাসনত নতুন যুগৰ প্ৰযুক্তিৰ ভূমিকাৰ বিষয়ে আলোচনা কৰিব। সন্মিলনত দেশৰ বিকাশৰ সৈতে জড়িত বিত্তীয় প্ৰত্যাহ্বান

আৰু নীতিগত অগ্ৰাধিকাৰৰ বিষয়ে আলোচনা হ'ব বুলি মন্ত্ৰালয়ে জানিবলৈ দিছে। সন্মিলনৰ তিনিটা সত্ৰত স্থূল অৰ্থনীতি কৃষি আৰু শক্তি খণ্ডৰ ৰূপান্তৰৰ বাবে বিত্ত যোগান ব্যৱস্থা সম্পৰ্কে বিশ্লেষণ কৰা হ'ব।

০০০০০

হিন্দুস্তান এৰ'নেটিক্স লিমিটেডে আজি বাংগালুৰুত বায়ুসেনাক লঘু যুঁজাৰু বিমান তেজছৰ দুখন আসনবিশিষ্ট প্ৰশিক্ষণ আৰু এইছ টি টি-৪০ বুনিয়াদী প্ৰশিক্ষণ বিমান অৰ্পণ কৰিব। বিমানাকাশ আৰু প্ৰতিৰক্ষা খণ্ডৰ কোম্পানীটোৱে লগতে ৰাজহুৱা খণ্ডৰ পৱনহংস লিমিটেড নামৰ কোম্পানীটোৰ পৰৱৰ্তী প্ৰজন্মৰ ধ্ৰুৱ হেলিকপ্তাৰ প্ৰদান কৰিব। এই অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু অসামৰিক বিমান পৰিবহন মন্ত্ৰী ৰামমোহন নাইডু উপস্থিত থাকিব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এই বিমান আৰু হেলিকপ্তাৰ কেইখনৰ অন্তৰ্ভুক্তিয়ে থলুৱা সামৰ্থ্য বৃদ্ধি কৰিব আৰু বিদেশী উৎসৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰিব বুলি দাবী কৰিছে। চৰকাৰে প্ৰতিৰক্ষা আৰু বিমানাকাশ খণ্ডত থলুৱা আৰ্হি, বিকাশ আৰু নিৰ্মাণৰ প্ৰসাৰত অগ্ৰাধিকাৰ দি আহিছে বুলি মন্ত্ৰালয়ে বুলি প্ৰকাশ কৰিছে।

০০০০০

নেপালৰ বিধবংসী বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা এহেজাৰ ৪১০লৈ বৃদ্ধি পাইছে। চুবুৰীয়া দেশখনত এতিয়াও ছহেজাৰ ১৪৫জন লোক সন্ধানহীন হৈ আছে। প্ৰভাৱিত এলেকাসমূহত উদ্ধাৰ, সাহায্য আৰু পুনৰ্বাসন অভিযান অব্যাহত আছে। নেপালৰ ৰাষ্ট্ৰীয় দুৰ্যোগ বিপদাশংকা প্ৰশমন আৰু ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা মতে চিতবনত সৰ্বাধিক লোকৰ প্ৰাণ হাণি হৈছে। চিতবনৰ পাছতে নবলপৰাচি পূব, নবলপৰাচি পশ্চিম আৰু নুৱাকটত বানৰ ফলত যথেষ্ট সংখ্যক লোকৰ প্ৰাণনাশ হৈছে। বৰ্তমানলৈকে ১৩ হাজাৰ ৭৫৬জন লোকক নিৰাপদে উদ্ধাৰ কৰা হৈছে। প্ৰাণহানি হোৱা লোকৰ চিনাক্তকৰণ আৰু সন্ধানহীন লোকক বিচাৰি উলিয়াবৰ বাবে এহেজাৰ ২৮৫ জন লোকৰ ডিএনএৰ নমুনা সংগ্ৰহ কৰা হৈছে। বানৰ ফলত গৃহহাৰা হোৱা লোকসকলৰ বাবে নেপালৰ বিভিন্ন স্থানত ২৭টা শিবিৰ স্থাপন কৰা হৈছে। নুৱাকটত স্থাপন কৰা এনে শিবিৰত ৮৩২, ৰছুৱাত ৮১৭ আৰু ধাডিঙত ৯৪জন লোকে আশ্ৰয় লৈ আছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে পাছপোৰ্ট সংশোধনী নিয়মাৱলী ২০২৬ সন্দৰ্ভত অধিসূচনা জাৰি কৰিছে। ইয়াৰ অধীনত ১৫ বছৰ অনুৰ্ধৰ শিশুৰ বাবে জাৰি কৰা ৩৬ পৃষ্ঠাজোৰা সাধাৰণ পাছপোৰ্ট এতিয়াৰে পৰা জাৰি কৰা তাৰিখৰ পৰা পাঁচ বছৰ অথবা শিশুটিৰ বয়স ১৮ বছৰ নোহোৱালৈকে বৈধ হ'ব।

০০০০০

আঞ্চলিক মাছ ব্যৱসায়ত অভূতপূৰ্ব পৰিৱৰ্তন পৰিলক্ষিত হৈছে। সাধাৰণতে বাংলাদেশৰ পৰা ভাৰতলৈ আমদানি হোৱা ইলিচ মাছ এইবেলি ভাৰতৰ পৰা বাংলাদেশলৈ ৰপ্তানি হৈছে। কেন্দ্ৰীয় অন্তৰ্দেশীয় মাছ গৱেষণা প্ৰতিষ্ঠানে প্ৰকাশ কৰা মতে বিগত দুটা মাহত ভাৰতৰ পৰা প্ৰায় ৫০০ টন ইলিচ মাছ বাংলাদেশলৈ প্ৰেৰণ কৰা হৈছে। ব্যৱসায়ীসকলে শীঘ্ৰেই আৰু ডেৰশৰ পৰা ২০০ টন ইলিচ মাছ ৰপ্তানি হ'ব বুলি আশা প্ৰকাশ কৰিছে।

পৰম্পৰাগতভাৱে ভাৰতীয় বজাৰত বিশেষকৈ পশ্চিম বংগত বাংলাদেশৰ পৰা আমদানি কৰা ইলিচ মাছৰ আধিপত্য দেখা যায়। কিন্তু এইবেলি বাংলাদেশত ঘৰুৱা উৎপাদন কম হোৱা বাবে চুবুৰীয়া ৰাষ্ট্ৰখনত ভাৰতীয় ইলিচ মাছৰ চাহিদা বৃদ্ধি পাইছে। ৰপ্তানি কৰা ইলিচ মাছৰ বৃহৎ পৰিমাণ গুজৰাটৰ ভুৰুছৰ পৰা প্ৰেৰণ কৰা হৈছে। পশ্চিম বংগৰ হাওৰাস্থিত পাইকাৰী মাছ বজাৰৰ পৰাও ইলিচ মাছৰ কেইটামান খেপ বাংলাদেশলৈ প্ৰেৰণ কৰা হৈছে। চিলেট আৰু ছট্টগ্ৰামত ইলিচ মাছৰ চাহিদা দেখা গৈছে।

০০০০০

নিৰ্বাচন আয়োগে তৃণমূল কংগ্ৰেছৰ প্ৰতিদ্বন্দ্বী পক্ষ দুটাক পশ্চিম বংগত হ'বলগীয়া বিধানসভাৰ উপ-নিৰ্বাচনৰ সময়ত দলৰ নাম আৰু প্ৰতীক ব্যৱহাৰ নকৰিবলৈ অনুৰোধ জনাইছে। আয়োগে নিজৰ অন্তৰৰ্তীকালীন আদেশত কালি পুৱা ১১ বজাৰ ভিতৰত তেওঁলোকৰ দলৰ নাম দাখিল কৰিবলৈ আহ্বান

জনাইছে। মমতা বেনাৰ্জী আৰু অৰূপ ৰায় নেতৃত্বাধীন দলৰ দুটা পক্ষৰ নেতাৰ শুনানি গ্ৰহণ কৰি আয়োগে এই অন্তৰ্বৰ্তীকালীন নিৰ্দেশ প্ৰদান কৰিছে।

০০০০০

ভাৰতীয় দূতাবাসে কালি 'পৰিচ্ছন্নতাই সেৱা ২০২৬' অভিযান আৰম্ভ কৰে। আজাৰবাইজানত ভাৰতৰ ৰাষ্ট্ৰদূত অভয় কুমাৰে দূতাবাসৰ বিষয়াসকলক এই অভিযান সফলতাৰে ৰূপায়ন কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। আইচলেণ্ডতো ভাৰতীয় দূতাবাসৰ বিষয়াসকলে স্বচ্ছতা অভিযানত অংশগ্ৰহণ কৰে। চৌদি আৰৱৰ জেদ্দাত থকা ভাৰতীয় কনছুলেট জেনেৰেলেও স্বচ্ছতাৰ প্ৰসাৰৰ বাবে এই অভিযান আৰম্ভ কৰে। লাইবেৰিয়াৰ মনৰোভিয়াত থকা ভাৰতীয় দূতাবাসৰ সদস্যসকলেও এই অভিযানত অংশগ্ৰহণ কৰে। ১৭ ছেপ্টেম্বৰৰ পৰা ২ অক্টোবৰলৈ 'পৰিচ্ছন্নতাৰ অভিযানত সহযোগিতা, স্বচ্ছ ভাৰত, বিকশিত ভাৰত' শীৰ্ষক বিষয়বস্তুৰ অধীনত বিশ্বজুৰি এই অভিযান চলিব।

০০০০০

ভাৰতৰ ৰাষ্ট্ৰদূত বিনয় মোহন কোৱাট্ৰাই আমেৰিকাত উপস্থিত হৈ ভাৰত বিশ্বৰ আটাইতকৈ দ্ৰুতগতিত বৃদ্ধি পোৱা প্ৰধান অৰ্থনীতি আৰু তৃতীয় বৃহত্তম শক্তি বুলি অভিহিত কৰিছে।

সামাজিক মাধ্যমত ভাৰতৰ শক্তিৰ আৱশ্যকতাক লৈ ৰাষ্ট্ৰদূত কোৱাট্ৰাই কয় যে ভাৰতৰ জনসাধাৰণৰ সুৰক্ষাই প্ৰথম স্থান লাভ কৰে।

তেঁও কয় যে ভাৰতে সমগ্ৰ মধ্যপ্ৰাচ্য, আফ্ৰিকা, লেটিন আমেৰিকা, ইউৰেছিয়া আৰু আমেৰিকাৰ বিভিন্ন প্ৰতিষ্ঠানৰ পৰা সামগ্ৰী ক্ৰয় কৰে।

তেওঁ লগতে কয় যে ভাৰতৰ পছন্দসমূহ উপলব্ধতা, ব্যয়সাধ্যতা, বজাৰৰ অৱস্থা আৰু বাণিজ্যিক কাৰ্য্যক্ষমতাৰ দ্বাৰা পৰিচালিত হয়।

ৰাষ্ট্ৰদূত কোৱাট্ৰাই কয় যে শেহতীয়া সংঘাতে বিশ্বব্যাপী যোগানত বিসংগতিৰ সৃষ্টি কৰাৰ সময়ত ভাৰতে দেশৰ জনসাধাৰণক দামবৃদ্ধিৰ পৰা ৰক্ষা কৰিবলৈ নিৰ্ণায়কভাৱে কাম কৰিছিল। তেঁও লগতে কয় যে আমেৰিকাৰ পৰা ভাৰতে খাৰুৱা তেল আৰু প্ৰয়োজনীয় ৫০শতাংশ প্ৰাকৃতিক গেছ আমদানি কৰে।

০০০০০

তিনিদিনীয়া ৰাছিয়া ভ্ৰমণলৈ যোৱা ভাৰতৰ সেনা মুৰব্বী জেনেৰেল ধীৰাজ ছেথে ৰাছিয়াৰ স্থল বাহিনীৰ মুখ্য কাৰ্যালয় পৰিদৰ্শন কৰে। এই ভ্ৰমণকালত সামৰিক সহযোগিতা শক্তিশালী কৰা আৰু দেশ দুখনৰ সামৰিক প্ৰশিক্ষণৰ সংযোগ সম্প্ৰসাৰণৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়। দুয়োখন দেশৰ সেনাবাহিনীৰ মাজত সামৰ্থ্য বিকাশ শক্তিশালী কৰাৰ ওপৰতো আলোচনাত আলোকপাত কৰা হয়। মস্কোস্থিত সৈনিকৰ সমাধিস্থলত তেওঁ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ মতে, মস্কোৰ ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা নিয়ন্ত্ৰণ কেন্দ্ৰ পৰিদৰ্শন কৰি ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে তেঁও মত বিনিময় কৰিব। এই ভ্ৰমণৰ অংশ হিচাপে জেনেৰেল ছেথে ৰাছিয়াৰ চেণ্ট পিটাৰ্ছবাৰ্গ চহৰলৈও যাত্ৰা কৰিব, য'ত তেওঁ মিখাইল'ভস্কায়া মিলিটাৰী আৰ্টিলাৰী একাডেমী পৰিদৰ্শন কৰিব। মন্ত্ৰালয়ে কয় যে, এই ভ্ৰমণে দুয়োখন দেশে স্থায়ী সামৰিক কূটনীতি আৰু সেনাৰ সংযোগৰ গুৰুত্বক প্ৰতিফলিত কৰিছে।

০০০০০

ভাৰতে যোৱা নিশা নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত তিনিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত আফগানিস্তানক ১২৭ ৰাণত পৰাস্ত  কৰি শৃংখলাৰ আটাইকেইখন খেলত জয়লাভ কৰা কৃতিত্ব অৰ্জন কৰে। খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি  নিৰ্ধাৰিত ২০ অ'ভাৰত ৭টা উইকেট হেৰুৱাই ২২১ ৰাণ কৰে। ভাৰতৰ হৈ অভিষেক শৰ্মাই ৩৮টা বলত ১০০ ৰাণ কৰে। সঞ্জু ছেমচনে ৫০ ৰাণৰ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত আফগানিস্তানে ১৪ অভাৰ আৰু এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ৯৪ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ নীতিশ কুমাৰ ৰেড্ডী আৰু ৰবি বিষ্ণয়ে তিনিটাকৈ উইকেট দখল কৰে। অক্ষৰ পেটেল, যশপ্ৰীত বুমৰা আৰু যশ ঠাকুৰে দুটাকৈ উইকেট দখল কৰে। এই জয়ৰ সুবাদত ভাৰতে টি-২০ ক্ৰিকেটত ১০ বাৰ ১০০ বা অধিক ৰাণৰ ব্যৱধানত জয়লাভ কৰাৰ কৃতিত্ব অৰ্জন কৰে। অভিষেক শৰ্মাক প্লেয়াৰ অব দা চিৰিজ আৰু প্লেয়াৰ অব দা মেচ হিচাপে ঘোষণা কৰা হয়।

ooooo

সমাপ্ত